124 (LPS)

[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019 (S)

ASSAMESE

[MAS (S4) 13]

(লিপি আৰু পাঠ-সমীক্ষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) লিপি কাক বোলে, চমুকৈ লিখক।

(b) নগাজৰী খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপিখন কোনে, কেতিয়া, ক'ৰ পৰা উদ্ধাৰ কৰিছিল ?

(c) সিদ্ধ মাতৃকা লিপিৰ তিনিটা আঞ্চলিক ৰূপ কি কি, উল্লেখ কৰক।

(d) পুৰণি হাতে লিখা পুথিসমূহৰ যি কোনো চাৰিটা বৈশিষ্ট্য লিখক।

(e) অসমীয়া পুৰণি পুথিসমূহৰ লুপ্তপ্ৰায় কাৰণসমূহ কি কি ?

(f) পাঠ-সমীক্ষা পদ্ধতি প্ৰয়োগ কৰি পুৰণি পুথি সম্পাদনা কৰা যি কোনো দুগৰাকী পণ্ডিতৰ নাম উল্লেখ কৰি তেওঁলোকৰ সম্পাদনাত প্ৰকাশিত একোখনকৈ গ্ৰন্থৰ নাম উল্লেখ কৰক।

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) চিত্ৰ লিপিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

(b) চমু টোকা লিখক : কানাই বৰশী বোৱা তুৰস্ক ক্ষয়ৰ শিলৰ ফলি।

(c) ''পাঠ-সমীক্ষা প্ৰাচীন পুথিসমূহৰ অধ্যয়নৰ এটা প্ৰণালীবদ্ধ পদ্ধতি।'' কথাষাৰ বুজাই লিখক।

(d) অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত আপোনাৰ মতামত দাঙি ধৰক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) কিহৰ আধাৰত মধ্যযুগীয় অসমীয়া লিপিক বামুনীয়া, গড়গঞা আৰু কাইথেলী—এই তিনিটা ভাগত ভাগ কৰা হৈছে, বুজাই লিখক।

(b) নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলিৰ বিষয়ে এটি টোকা যুগুত কৰক।

(c) পাঠ-সমীক্ষা পদ্ধতিটো বিজ্ঞান নে কলা, যুক্তি সহকাৰে ফঁহিয়াই দেখুৱাওক।

(d) অসমীয়া সমীক্ষিত পাঠৰ এটা চমু পৰিচয় দাঙি ধৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) অসমীয়া লিপিৰ যুগ বিভাজন সম্পৰ্কত পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহ উল্লেখ কৰি পুৰণি অসমীয়া লিপি বা কামৰূপী লিপিৰ বিষয়ে এটি আলোচনা দাঙি ধৰক।

(b) খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ পুৰণি অসমত পোৱা অভিলেখবোৰৰ আখৰৰ গঢ়-গতি সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰক।

(c) পাঠ-সমীক্ষা পদ্ধতিৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ কি কি? প্ৰতিটো প্ৰক্ৰিয়াৰ বিষয়ে পৃথকে পৃথকে আলোচনা কৰক।

(d) পাঠ-সমীক্ষা পদ্ধতি কেতিয়া আৰু ক'ত প্ৰথমে প্ৰয়োগ হয়? পাঠ-সমীক্ষাৰ ক্ৰমবিকাশ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

(e) পুৰণি পুথিৰ লিখন সামগ্ৰীসমূহ কি কি? সাহিত্যৰ ইতিহাসত পুৰণি পুথিসমূহৰ স্থান সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে কোনবোৰ দিশত গুৰুত্ব দিব লাগে বুলি আপুনি ভাবে, নিজস্ব মতামত আগবঢ়াওক।

★★★